**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**-----------------**

গোলাঘাট জিলাৰ মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰীবিলত বন বিভাগ আৰু জিলা প্ৰশাসনে অহা ৮ আগষ্টত উচ্ছেদৰ দিন ধাৰ্য কৰাৰ পাছতে জিলা প্ৰশাসন তৎপৰ হৈ পৰিছে। সৰুপথাৰত কালি এখন সংবাদমেলত বন বিভাগৰ হৈ প্ৰধান মুখ্য বন সংৰক্ষক এম. কে. যাদৱে কয়, যে অঞ্চলটোত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ২০৫টা পৰিয়ালক অঞ্চলটো খালী কৰাৰ বাবে জাৰি কৰা জাননীৰ ম্যাদ শুকুৰবাৰে উকলি যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অহা ৬ আগষ্টৰ পৰা উচ্ছেদ অভিযানৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰা হ'ব আৰু ৮ আগষ্টৰ পুৰা উচ্ছেদ চলোৱা হ'ব বুলি তেওঁ কয়। ইতিমধ্যে গাওঁখনৰ প্ৰায় ৮০ শতাংশ লোক নিজ নিজ বয়বস্তু হৈ অন্য ঠাইলৈ ৰাওনা হৈছে। ইপিনে ইয়াৰে প্ৰায় ৪০ টা পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ত কিছু সময় বিচাৰি আবেদন কৰাৰ পাছত তেওঁলোকৰ বাবে এই সময়সীমা ৭ আগষ্টলৈ বঢ়াই দিয়া হৈছিল। অঞ্চলটোত থাকি যোৱা একাংশ লোকেও এতিয়া সেই স্থান এৰি যোৱাৰ বাবে প্ৰস্তুতি চলাইছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

ooooo

গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰৰ টু-জি ইথানল প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নুমলীগড়লৈ আহিব। বিজেপিৰ ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিৱেদী, মন্ত্ৰী অজন্তা নেওগ, মন্ত্ৰী ৰূপেশ গোৱালাই আজি নুমলীগড়ত প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়। উদ্বোধনস্থলী পৰিদৰ্শনৰ সময়ত তিনিজন বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, বিশ্বজিৎ ফুকন আৰু মৃণাল শইকীয়াও উপস্থিত থাকে।

ooooo

বিশ্বনাথ জিলা চিকিৎসালয়ে ২০২৩ বৰ্ষৰ পৰা এই পৰ্যন্ত ৫০০ৰো অধিক সৰ্প দংশনৰ ৰোগীক চিকিৎসা প্ৰদান কৰি সুস্থ কৰিবলৈ সমৰ্থ হৈছে। সৰ্প দংশনৰ চিকিৎসাৰ ক্ষেত্ৰত বিশ্বনাথ জিলা দ্বিতীয় শীৰ্ষস্থানত উপনীত হৈছে। এই উপলক্ষে আজি সৰ্পবান্ধৱ সৌৰভ বৰকটকীয়ে দুষ্প্ৰাপ্য নাগচম্পাৰ এটি গছপুলি জিলা চিকিৎসালয়ক উপহাৰ দিয়ে। জিলা চিকিৎসালয় কৰ্তৃপক্ষই সকলোৰে উপস্থিতিত গছপুলিটো ৰোপন কৰে। অনুষ্ঠানত বিশ্বনাথ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ যোগেন্দ্ৰ চন্দ্ৰ বে', জিলা চিকিৎসালয় অধীক্ষক ডাঃ ৰিপন চেতিয়াকে বহুকেইজন লোক উপস্থিত থাকে।

ooooo

শক্তি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনে ডিব্ৰুগড়ৰ কাছাৰবাৰীৰ বিকাশ চেণ্টাৰ গোটত আজি আয়োজিত প্ৰধানমন্ত্ৰী বন ধন যোজনাৰ অন্তৰ্গত ন্যূনতম খাদ্য মূল্যৰ কাৰ্যক্ৰম পৰিদৰ্শন কৰে। মন্ত্ৰী শ্ৰীফুকনে জনজাতি সমাজৰ আত্মনিৰ্ভৰশীলতা আৰু কৌশলভিত্তিক উদ্যোগৰ জৰিয়তে জীৱিকা সৃষ্টিৰ এনে প্ৰচেষ্টা প্ৰশংসনীয় বুলি

উল্লেখ কৰে। এই ধৰণৰ অনুষ্ঠানসমূহ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সব কা সাথ সব কা বিকাশ, সবকা বিশ্বাসৰ দৃষ্টিভঙ্গীৰ প্ৰতিফলন বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

লখিমপুৰ সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই আজি চিলাপথাৰৰ বালিজানত আয়োজিত শিশু অনুষ্ঠানত অংশগ্ৰহণ কৰি অনুষ্ঠানটোৰ দ্বাদশ বাৰ্ষিক শিশু আলোচনী উন্মোচন কৰে। মন এটি আশা নামৰ শিশু অনুষ্ঠানটোত অংশগ্ৰহণ কৰি সাংসদ শ্ৰীবৰুৱাই অনুষ্ঠানটোৰ সৈতে জড়িত কণমানিসকলৰ সৃষ্টিশীলতাক প্ৰশংসা কৰে। শিশুসকলৰ নৃত্য-গীত আৰু নাম-প্ৰসঙ্গৰে জীপাল হোৱা অনুষ্ঠানটোত চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জিত শইকীয়া, ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০ বনজিৎ ভট্টৰ লগতে কেইবাজনো লোক উপস্থিত থাকে।

০০০০০

ডিব্ৰুগড় জিলাৰ বৰবৰুৱাত সংঘটিত হত্যাকাণ্ডৰে জড়িতৰ অভিযোগত চাৰিজন লোকক বৰবৰুৱা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। বৰবৰুৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ঋতুৰাজ নাথ আৰু খোৱাং সমজিলাৰ আৰক্ষী বিষয়াৰ তৎপৰতাত চাৰিজন অভিযুক্ত গ্ৰেপ্তাৰ কৰাৰ লগতে নগদ ধন আৰু সোণৰ অলংকাৰ উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে জানিবলৈ দিয়া মতে এই হত্যাকাণ্ডৰে জড়িতৰ দুজন অভিযুক্ত নাবালক আৰু এই ঘটনাত আৰু বহুকেইজন লোক জড়িত আছে। উল্লেখযোগ্য যে যোৱা ২৫ জুলাইত উত্তম গগৈ নামৰ লোকজনক হত্যা কৰি দুৰ্বৃত্তই ধন লুট কৰিছিল।

০০০০০

হোজাই জিলাত ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাল, লায়ন্স ক্লাব আৰু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সৌজন্যত আজি কাকি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য মেলাৰ আয়োজন কৰা হয়। কাকি অঞ্চলৰ লোকসকলক গুণগত চিকিৎসা সেৱা প্ৰদান, বিনামুলীয়া ৰোগ পৰীক্ষা আৰু ঔষধ বিতৰণৰ উদ্দেশ্যে চলিত বৰ্ষত তৃতীয়বাৰৰ বাবে এই স্বাস্থ্য মেলাৰ আয়োজন কৰা হয়। ডিফু চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ চিকিৎসা কৰ্মীসকলে সুশৃংখলিতভাৱে আয়োজন কৰা এই মেলাত স্বাস্থ্য পৰিচয় পত্ৰৰ লগতে মধুমেহ, উচ্চ ৰক্তচাপ, মুখ গহ্বৰৰ কৰ্কট ৰোগ আদিৰ বিনামুলীয়া পৰীক্ষা কৰা হয়।

০০০০০

পথ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি নগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদৰ পৰা এটা বাইক সমদল উলিওৱা হয়। নৱ প্ৰজন্মৰ মাজত যান-বাহন আইন তথা পথ সুৰক্ষাৰ সজাগতা সৃষ্টিৰ বাবে আয়োজিত এই বাইক সমদল মুকলি কৰি নগাওঁ-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই মটৰ চাইকেল চলোৱাৰ সময়ত সকলোকে হেলমেট পৰিধান কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে যান-বাহন আইন মানি চলি নিজৰ লগতে আনৰো জীৱন ৰক্ষা কৰিবলৈ অনুৰোধ জনায়। জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই এই বাইক সমদলত অংশ লৈ ৰাজপথত মটৰ চাইকেল চলোৱাৰ সময়ত সাৱধানতা অৱলম্বন কৰাৰ লগতে নিজৰ ঘৰ পৰিয়ালৰ কথা চিন্তা কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে এই বাইক সমদলত অংশগ্ৰহণকাৰীসকলে যাত্ৰাপথত জখলাবন্ধাৰ বাছ আস্থানত এখন পথ সজাগতা সভাতো অংশ লয়।

০০০০০

সমাপ্ত